NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 05-11-2026
Time : 0705 HRS.

ASSAMESE NSD MORNING BULLETIN

HEADLINES

::::::::::::::::::

১। কেন্দ্রীয় মন্ত্রীসভাই অগ্নিবীৰসকলৰ সেৱাৰ ম্যাদ আৰু দুবছৰৰ বাবে বৃদ্ধি কৰাত অনুমোদন জনাইছে।

২। কেন্দ্রীয় গৃহমন্ত্রী অমিত শ্বাহে ১৮৫৭ চনৰ স্বাধীনতাৰ প্রথম ৰণৰ সাহসী সৈনিকসকলৰ স্মৃতিত আম্বালা কেন্দ্রত নির্মাণ কৰা ছহীদ স্মাৰক আজি উদ্বোধন কৰিব।

৩। প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে আজি এছিয়ান পেৰাগেমছত অংশগ্রহণ কৰা ভাৰতীয় দলৰ সদস্যসকলৰ সৈতে মত বিনিময় কৰিব।

৪। গোৱাৰ মুখ্যমন্ত্রী ড০ প্রমোদ সাৱান্তে কালি ৫৬ সংখ্যক ভাৰত আন্তঃৰাষ্ট্রীয় চলচ্চিত্র মহোৎসৱ ২০২৬ৰ প্রস্তুতিৰ পর্যালোচনা কৰে।

আৰু

৫। ভাৰত আজি এছিয়ান চেম্পিয়নছ্ ট্রফী হকী প্রতিযোগিতাৰ ফাইনেলত জাপানৰ মুখামুখি হ'ব।

০০০০০

কেন্দ্রীয় মন্ত্রীসভাই অগ্নিবীৰসকলৰ সেৱাৰ ম্যাদ আৰু দুবছৰৰ বাবে বৃদ্ধি কৰাত অনুমোদন জনাইছে। উল্লেখযোগ্য যে, পূর্বে অগ্নিবীৰসকলৰ সেৱা চাৰি বছৰীয়া আছিল। নতুন দিল্লীত কালি অনুষ্ঠিত মন্ত্রীসভাৰ বৈঠকৰ পাছত সংবাদ মাধ্যমৰ আগত প্রতিৰক্ষা বাহিনীৰ মুৰববী জেনেৰেল এন এছ ৰাজা সুব্রমনিয়ে কয়, যে সেৱাৰ ম্যাদ সম্পূর্ণ হ'বলগীয়া ৭৫ শতাংশ অগ্নিবীৰক এতিয়া অতিৰিক্ত ২ বছৰৰ বাবে কর্মত নিয়োজিত কৰা হ'ব। অগ্নিবীৰৰ প্রথমটো বেটছৰ কার্যকাল প্রায় সম্পূর্ণ হোৱাৰ সময় হৈছে বুলি তেওঁ কয়। বিগত চাৰি বছৰৰ কামকাজৰ মূল্যায়ণৰ ভিত্তিত লাভ কৰা ইতিবাচক তথ্যৰ ওপৰত নির্ভৰ কৰি তেওঁলোকৰ কার্যকাল বৃদ্ধি কৰা হ'ব বুলি শ্রী সুব্রমণিয়ে কয়। তেওঁ লগতে কয়, যে ২৫ শতাংশ অগ্নিবীৰক যোগ্যতাৰ ভিত্তিত সেনা বাহিনীত অন্তর্ভুক্ত কৰা হ'ব আৰু ৭৫ শতাংশ অগ্নিবীৰৰ কার্যকাল দুবছৰ বৃদ্ধি কৰা হ'ব। তেওঁ লগতে কয়, যে এই দুবছৰীয়া সময়সীমা সম্পূর্ণ হোৱাৰ লগে লগে অগ্নিবীৰসকলক সশস্ত্র বাহিনীত নিয়োগ কৰা হ'ব। তেওঁ কয়, যে অতিৰিক্ত এই বর্ধিত কার্যকালত তেওঁলোকৰ পাৰিতোষিকো বৃদ্ধি কৰা হ'ব। ***(বাইট)***

উল্লেখযোগ্য যে ২০২২ চনৰ ১৪ জুনত অগ্নিপথ আঁচনিখন প্রৱর্তন কৰা হৈছিল। তেওঁ কয়, যে অগ্নিবীৰসকলৰ কার্য ক্ষমতাৰ অহৰহ মূল্যায়নৰ উপৰি আঁচনিখন সময়ে সময়ে পুনৰীক্ষণ কৰাৰ বাবে পূর্বে সিদ্ধান্ত লোৱা হৈছিল। জেনেৰেল ৰাজা সুব্রমণিয়ে কয়, যে অগ্নিপথ আঁচনিৰ অধীনত নিযুক্তি প্রক্রিয়াৰ সম্প্রসাৰণ হৈছে আৰু সমগ্র দেশৰ প্রায় সকলো জিলাতে অগ্নিবীৰ নিয়োগ কৰা হৈছে। এই নিযুক্তি প্রক্রিয়া অধিক স্বচ্ছ আৰু সু-শৃংখলিত হৈছে বুলিও তেওঁ মন্তব্য কৰে।

০০০০০

কেন্দ্রীয় গৃহমন্ত্রী অমিত শ্বাহে ১৮৫৭ চনৰ স্বাধীনতাৰ প্রথম ৰণৰ সাহসী সৈনিকসকলৰ স্মৃতিত আম্বালা কেন্দ্রত নির্মাণ কৰা ছহীদ স্মাৰক আজি উদ্বোধন কৰিব। বিজেপিৰ নেতা তথা প্রাক্তন মন্ত্রী অসীম গোৱেলে কালি আম্বালাত এখন সংবাদমেলত এই বিষয়ে প্রকাশ কৰে। তেওঁ কয়, যে এয়া কেৱল এটা স্মাৰকৰ উদ্বোধন নহয়, বৰং এই কার্যসূচীৰ দ্বাৰা দেশৰ স্বাধীনতা সংগ্রামত বলিদান দিয়া

জ্ঞাত আৰু অজ্ঞাত বীৰ নায়কসকলৰ প্ৰতি কৃতজ্ঞতা আৰু শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰা হ'ব। শ্ৰী গোৱেলে কয়, যে ৮০০ কোটি টকা ব্যয় সাপেক্ষে ২২ একৰ ভূমি সামৰি নিৰ্মাণ কৰা এই স্মাৰক হাৰিয়ানাৰ ঐতিহ্যমণ্ডিত স্থানসমূহৰ অন্যতম হিচাপে বিবেচিত হ'ব। এই স্মাৰকত ১৮৫৭ চনৰ স্বাধীনতা সংগ্ৰামৰ সৈতে জড়িত ৭০০ৰো অধিক ছহীদৰ নাম সোণালী আখৰেৰে লিপিবদ্ধ কৰা হৈছে। বিজেপি নেতাগৰাকীয়ে কয়, যে আধুনিক প্ৰযুক্তি ব্যৱহাৰ কৰি এই ছহীদ স্মাৰকত স্বাধীনতা সংগ্ৰামৰ গাঁথাক প্ৰাণৱন্ত কৰি তোলা হৈছে। ইয়াৰ ফলত নতুন প্ৰজন্মই ইতিহাস অধ্যয়নৰ জৰিয়তে কেৱল ছহীদসকলৰ ত্যাগৰ বিষয়ে অৱগত হোৱাতেই সীমাবদ্ধ নাথাকি প্ৰত্যক্ষ অভিজ্ঞতা লাভ কৰিব। গৃহমন্ত্ৰী শ্ৰী শ্বাহে আজি আম্বালাৰ গান্ধী মৈদানত এখন জনসভাত ভাষণ দিব। ইয়াৰ আগেয়ে তেওঁ এখন পদযাত্ৰাত নেতৃত্ব দিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ইন্দিৰা গান্ধী ক্ৰীড়া পৰিসৰত চলিত বৰ্ষৰ এছিয়ান পেৰা গেমছত অংশগ্ৰহণ কৰা ভাৰতীয় দলটোৰ সদস্যসকলৰ সৈতে মত বিনিময় কৰিব।

জাপানৰ আইচি-নাগোয়াত অনুষ্ঠিত এইবেলিৰ এছিয়ান পেৰা গেমছত ভাৰতৰ হৈ ৯৭ গৰাকী পেৰা এথলীটে মুঠ ১১৪টা পদক লাভ কৰি দেশৰ হৈ সৰ্বোৎকৃষ্ট প্ৰদৰ্শনৰ অভিলেখ সৃষ্টি কৰে। প্ৰতিযোগিতাখনত ভাৰতে ৩০টা সোণৰ, ৩৫টা ৰূপৰ আৰু ৪৯টা ব্ৰঞ্জৰ পদক দখল কৰে।

০০০০০

২০৪৭ চনৰ ভিতৰত এখন বিকশিত অসম গঢ়ি তোলাৰ লক্ষ্যৰে প্ৰশাসনক অধিক বিকেন্দ্ৰীকৃত আৰু জনমুখী কৰাৰ বাবে অসম মন্ত্ৰীসভাই ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ অধীনত ১৩খন ৰাজ্যিক পৰ্যায়ৰ খণ্ডভিত্তিক পৰিষদ গঠনত অনুমোদন জনাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত মঙলবাৰে অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত লোৱা হয়। প্ৰশাসনক কেৱল চৰকাৰী কাৰ্যালয়ৰ ভিতৰতে সীমাবদ্ধ নাৰাখি তৃণমূল পৰ্যায়ৰ জনসাধাৰণৰ ওচৰলৈ লৈ যোৱাৰ উদ্দেশ্যে এই ব্যৱস্থা লোৱা হৈছে। জনসাধাৰণৰ প্ৰতিটো গুৰুত্বপূৰ্ণ দিশ সামৰি লোৱাৰ বাবে ৰাজ্যৰ মূল প্ৰশাসনিক খণ্ডসমূহৰ সৈতে সংগতি ৰাখি এই ১৩খন পৰিষদ গঠন কৰা হ'ব। সৰ্বাধিক তিনি বছৰৰ বাবে গঠন হ'বলগীয়া এই পৰিষদসমূহে ৰাজ্যৰ প্ৰশাসনিক ব্যৱস্থাত বিশেষ পৰিৱৰ্তন সাধন কৰিব বুলি আশা কৰা হৈছে। ৰাজ্যৰ মূল প্ৰশাসনিক খণ্ডসমূহৰ সৈতে সংগতি ৰাখি গঠন কৰিবলগীয়া এই পৰিষদকেইখন হ'ল অসম গ্ৰামীণ জীৱিকা পৰিষদ, স্বাস্থ্য আৰু সুস্থতা পৰিষদ, শৈক্ষিক অধিকাৰ পৰিষদ, সামাজিক সুৰক্ষা পৰিষদ, ৰাজহুৱা গৃহনিৰ্মাণ, খোৱা পানী যোগান, বিদ্যুৎ যোগান নিয়োগ পৰিষদ, সাংস্কৃতিক পৰিক্ৰমা আৰু সুখানুভূতি, ক্ৰীড়া, চাহ বাগিচা অঞ্চলৰ স্বাস্থ্য আৰু শিক্ষা, খাদ্য সুৰক্ষা আৰু ক্ৰয়, আৰ্থিক সাহায্য আৰু প্ৰত্যক্ষ লাভ হস্তান্তৰ পৰিষদ। মুখ্যমন্ত্ৰীয়ে প্ৰতিখন পৰিষদৰ বাবে এজনকৈ অধ্যক্ষ, এখন উপাধ্যক্ষ আৰু সাতজনকৈ বেচৰকাৰী সদস্য প্ৰত্যক্ষভাৱে মনোনীত কৰিব।

০০০০০

গোৱাৰ মুখ্যমন্ত্ৰী ড০ প্ৰমোদ সাৱান্তে কালি ৫৬ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ ২০২৬ৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰে। তেওঁ পানাজীত গোৱা মনোৰঞ্জন সংস্থাৰ বিষয়ববীয়াসকলৰ সৈতেও আলোচনাত মিলিত হয়। মুখ্যমন্ত্ৰীয়ে কয়, যে গোৱা চলচ্চিত্ৰ বিত্ত আঁচনিৰ অধীনত অনুমোদিত পুজি পৰৱৰ্তী আঠৰ পৰা ১০ দিনৰ ভিতৰত মুকলি কৰি দিয়া হ'ব। তেওঁ লগতে গোৱাৰ চলচ্চিত্ৰ বিত্ত আঁচনিখন সংশোধন কৰা হ'ব বুলিও উল্লেখ কৰে। এই ক্ষেত্ৰত বিভিন্ন পক্ষৰ পৰামৰ্শ গ্ৰহণ কৰা হ'ব বুলি তেওঁ কয়। উল্লেখযোগ্য যে এইবাৰৰ এই মহোৎসৱৰ উদ্বোধনী অনুষ্ঠান অহা ১২ নৱেম্বৰত নতুন দিল্লীত অনুষ্ঠিত হ'ব। এই মহোৎসৱত গোৱাৰ চলচ্চিত্ৰ নিৰ্মাতা আদিত্য সুহাস জাম্ভালিক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০

কেন্দ্ৰীয় খাদ্য প্ৰসংস্কৰণ উদ্যোগ মন্ত্ৰী ছিৰাগ পাছোৱানে কালি নতুন দিল্লীত খাদ্য প্ৰসংস্কৰণ মন্ত্ৰ্যালয়ৰ নতুন চৰকাৰী ৱেবছাইট মুকলি কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত খাদ্য প্ৰসংস্কৰণ উদ্যোগৰ সচিব অবিনাশ যোশীও উপস্থিত থাকে। মন্ত্ৰ্যালয়ৰ সূত্ৰই

প্রকাশ কৰা মতে নতুন ৱেবছাইটটোত ব্যৱহাৰকাৰীসকলৰ বাবে সুবিধা হোৱাকৈ তথ্য, সুৰক্ষা আৰু ডিজিটেল নিৰাপত্তা বৃদ্ধি কৰা হ'ব। ৱেবছাইটটোত বহু ভাষিক ব্যৱস্থা সন্নিৱিষ্ট হ'ব। মন্ত্ৰ্যালয়ে কয়, যে এই ৱেবছাইট মুকলিৰ ফলত নাগৰিক কেন্দ্ৰিক সেৱা সহজসাধ্য হোৱাৰ লগতে জনসাধাৰণে এখন সুচল ডিজিটেল মঞ্চ লাভ কৰিব।

০০০০০

ইৰাণৰ বিৰুদ্ধে হোৱা আঠ মাহৰ যুদ্ধই আমেৰিকা যুক্তৰাষ্ট্ৰৰ মধ্যকালীন নিৰ্বাচনত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাইছিল বুলি দেশখনৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে স্বীকাৰ কৰিছে। মধ্যকালীন নিৰ্বাচনৰ ফলাফলৰ পাছত হোৱাইট হাউছত সাংবাদিকৰ সৈতে হোৱা সাক্ষাৎকাৰত তেওঁ কয় যে সংঘাতৰ ফলত গেছৰ মূল্যবৃদ্ধিৰ বাবে ভোটাদাতাসকল গভীৰভাৱে হতাশ হৈ পৰিছে। এই নিৰ্বাচনত ডেম'ক্ৰেটিক দলে বিজয় সাব্যস্ত কৰে। ৰিপাব্লিকান পাৰ্টিৰ ৰাজনৈতিক পৰাজয়ৰ পাছতো শ্ৰীট্ৰাম্পে নিজৰ বৈদেশিক নীতিৰ সপক্ষে মত পোষণ কৰে আৰু সামৰিক আগ্ৰাসনৰ প্ৰয়োজনত গুৰুত্ব আৰোপ কৰে। তেহৰাণে পাৰমাণৰিক অস্ত্ৰ লাভ কৰাত বাধা দিয়াটো তেওঁৰ দীৰ্ঘমকালীত অগ্ৰাধিকাৰসমূহৰ অন্যতম বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে দৃঢ়তাৰে দোহাৰে।

দেশখনৰ উপ-ৰাষ্ট্ৰপতি জে ডি ভান্সেও সামাজিক মাধ্যমৰ এটা পোষ্টত এই পৰাজয়ৰ কাৰণ হিচাপে যুদ্ধক চিহ্নিত কৰে। অৱশ্যে তেওঁ প্ৰশাসনৰ সামৰিক কৌশল তথা আগ্ৰাসনৰ বিষয়ে মন্তব্য প্ৰদানৰ পৰা বিৰত থাকে।

দেশখনৰ মধ্যকালীন নিৰ্বাচনত ডেম'ক্ৰেটিক দলৰ খবৰৰ পাছতে বিশ্বজুৰি শক্তি বজাৰসমূহে ধনাত্মক সঁহাৰি জনায়। ফলস্বৰূপে শেহতীয়া এমাহৰ ভিতৰত প্ৰথমবাৰৰ বাবে ব্ৰেণ্ট খাৰুৱা তেলৰ মূল্য ৮%তকৈ অধিক হ্ৰাস পাই প্ৰতি বেৰেলত ১০০ ডলাৰৰ তললৈ নামি আহে।

ডেম'ক্ৰেটিক দল নেতাসকলে গেছ, গেলামাল আৰু স্বাস্থ্যসেৱাৰ খৰচ কমোৱাৰ লগতে ট্ৰাম্প প্ৰশাসনে আৰম্ভ কৰা যুদ্ধ সন্দৰ্ভত ব্যাপক তদন্ত আৰম্ভ কৰাৰ প্ৰতিশ্ৰুতি দিছে।

০০০০০

ভাৰত আজি এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ ফাইনেলত জাপানৰ মুখামুখি হ'ব। খেলখন মোহালিৰ অলিম্পিয়ান বলবীৰ সিং চিনিয়ৰ আন্তঃৰাষ্ট্ৰীয় হকী ষ্টেডিয়ামত সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। বিগত বৰ্ষৰ চেম্পিয়ন ভাৰতে কালি অনুষ্ঠিত প্ৰতিযোগিতাৰ ছেমি ফাইনেলত দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে ৮-১ গ'লত সহয় বিজয় অৰ্জন কৰে। ইপিনে, চেমি ফাইনেলত মালয়েছিয়াৰ বিৰুদ্ধে পেনাল্টি শ্বুটআউটত ৫-৩ গ'লত বিজয় অৰ্জন কৰি জাপানে ফাইনেলত স্থান নিশ্চিত কৰে। প্ৰতিযোগিতাৰ ব্ৰঞ্জৰ পদকৰ বাবে হ'বলগীয়া খেলখনত দক্ষিণ কোৰিয়া মালয়েছিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব খেলিব।

০০০০০

ভাৰতৰ আনমোল খাৰব্ আৰু তনভী শৰ্মা কোৰিয়া অ'পেন ছুপাৰ ফাইভ হাণ্ড্ৰেড প্ৰতিযোগিতাৰ মহিলা একক শাখাৰ দ্বিতীয় ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে। প্ৰথম ৰাউণ্ডত নমোলে কানাডাৰ ৱেচেল চানক

২১-১৯, ২১-১৮ গেমত পৰাস্ত কৰে।দ্বিতীয় ৰাউণ্ডত খেলুৰৈগৰাকী দ্বিতীয় বাচনিপ্ৰাপ্ত জাপানৰ খেলুৰৈ আকানে ইয়ামাগুচিৰ মুখামুখি হ'ব।

ইপিনে তনভী শৰ্মাই জাপানৰ মানামী ছুইজুক প্ৰথম ৰাউণ্ডৰ তীব্ৰ প্ৰতিদ্বন্দ্বিতাপূৰ্ণ এখন খেলত ২১-১৬, ১২-২১, ২১-১৭ গেমত পৰাস্ত কৰে। পৰৱৰ্তী ৰাউণ্ডত খেলুৰৈগৰাকী জাপানৰ হিনা আকেচিৰ মুখামুখি হ'ব।

অৱশ্যে ভাৰতৰ আন এগৰাকী তাৰকা খেলুৰৈ এইচ এচ প্ৰণয় পুৰুষৰ একক শিতানৰ প্ৰথম ৰাউণ্ডত দক্ষিণ কোৰিয়াৰ য়ু টে-বিনৰ বিৰুদ্ধে ১৫-২১, ২১-২৩ গেমত পৰাজিত হয়। মিক্সড ডাবলছত ভাৰতৰ ধ্ৰুৱ আৰু মনিশাও প্ৰথম ৰাউণ্ডতে পৰাজয়ৰ সন্মুখীন হয়। চীনৰ সপ্তম বাচনিপ্ৰাপ্ত যুটি জু য়িজুন আৰু লি কিয়ানে ভাৰতীয় যুটিটোক ২২-২০, ১২-২১, ২২-২৪ গেমত পৰাস্ত কৰে।

ooooo

ooooo

ooooo

ooooo

ooooo

ooooo

ooooo

ooooo

ooooo

ooooo

ooooo

ooooo

ooooo

ooooo

ooooo

ooooo

ooooo

ooooo

ooooo

ooooo

ooooo

ooooo

ooooo

০০০০০

০০০০০

০০০০০

০০০০০

সমাপ্ত